[19-HBPGKOW–M3S(O) 20M]

MA 3rd Semester (Old) Exam., 2019 (W)

ASSAMESE

[MAS (S3) 12 (Lang)]

(ধ্বনিতত্ত্ব আৰু অসমীয়া ধ্বনিতত্ত্ব)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) স্বৰধ্বনিক ওঁঠৰ আকৃতি অনুসৰি কি কি ভাগত ভাগ কৰিব পাৰি ?

(b) অভ্যন্তৰীণ আৰু বহিঃসন্ধি কাক বোলে ? উদাহৰণসহ লিখক।

(c) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ 'ঋ' ধ্বনি অসমীয়াত কেনেদৰে, কি কি ৰূপত পোৱা যায় ?

(d) স্বৰসংগতিৰ দ্বাৰা প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ স্বৰধ্বনিৰ অসমীয়ালৈ কেনেদৰে বিকাশ ঘটিছে, দেখুৱাওক।

(e) সংস্কৃতৰ যৌগিক স্বৰকেইটা লিখক। এই স্বৰসমূহ অসমীয়াত ৰক্ষিত হৈছেনে ?

(f) ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ গৱেষণা-গ্ৰন্থখনৰ নাম লিখক।

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ধ্বনিতত্ত্ব আৰু ধ্বনিবিজ্ঞানৰ মাজৰ সম্পৰ্ক-পাৰ্থক্য উল্লেখ কৰক।

(b) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিকেইটাৰ আদ্য আৰু মধ্য স্থানৰ বিৰোধী প্ৰয়োগ দেখুৱাওক।

(c) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ আদ্য স্বৰসমূহ অসমীয়াত কেনেদৰে পৰিৱৰ্তন হৈছে ?

(d) বাংলা ভাষাৰ ইতিহাসক সাহিত্যিক নিদৰ্শনৰ ওপৰত ভিত্তি কৰি কি কি স্তৰত ভাগ কৰা হৈছে ? প্ৰতিটো স্তৰৰ সময় আৰু নিদৰ্শনসমূহ উল্লেখ কৰক।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) বাগিন্দ্ৰিয়ৰ এটি চিত্ৰ অঙ্কন কৰি অংগসমূহ নিৰ্দেশ কৰক।

(b) মান স্বৰধ্বনিৰ সকলো দিশ সামৰি এটি টোকা লিখক।

(c) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ বিৰোধী প্ৰয়োগ কেনেদৰে হয়, উদাহৰণসহ লিখক।

(d) অসমীয়া ভাষাৰ স্পৰ্শ, নাসিক্য আৰু উষ্ম ব্যঞ্জনকেইটাৰ ঐতিহাসিক বিকাশ আলোচনা কৰক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) বিভাজ্য আৰু অবিভাজ্য ধ্বনি কাক বোলে? Bernard Block আৰু George L. Trager নামৰ ভাষাবিজ্ঞানী দুজনে স্বৰ আৰু ব্যঞ্জনৰ সংজ্ঞা কেনেদৰে আগবঢ়াইছে? উচ্চাৰণৰ বৈশিষ্ট্য অনুসৰি ব্যঞ্জনধ্বনিৰ শ্ৰেণীবিভাগ কেনেদৰে কৰিব পাৰি, ৰেখাচিত্ৰ অঙ্কন কৰক।

(b) 'অসমীয়া ভাষাৰ বিশিষ্ট মহাপ্ৰাণ ব্যঞ্জনধ্বনিৰ উপধ্বনি' শীৰ্ষক এটা প্ৰবন্ধ লিখক।

(c) বাণীকান্ত কাকতিয়ে শ্বাসাঘাতৰ প্ৰভাৱত অসমীয়া ভাষাৰ স্বৰৰ ক্ষেত্ৰত হোৱা বিকাশ আৰু পৰিৱৰ্তনক কেনেদৰে শ্ৰেণীবিভাগ কৰিছে, আলোচনা কৰক।

(d) বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জনবৰ্ণসমূহৰ আদ্য-মধ্য-অন্ত্য প্ৰয়োগ দেখুৱাওক।

(e) উড়িয়া ভাষাৰ 'ব্যঞ্জন বৰ্ণমালাৰ আখৰ' আৰু 'বিশিষ্ট ব্যঞ্জন' দুয়োটাৰে দুখন তালিকা যুগুত কৰক।

★★★